# যৌন নিৰ্যাতনৰ উত্তৰজীৱিসকলৰ চিকিৎসা আৰু আইনী পৰিচৰ্যা সম্পৰ্কীয় নিৰ্দেশাৱলী তথা আচাৰ বিধি আৰু স্বাস্থ্য পৰিচৰ্যাকাৰীসকলৰ ভূমিকা

“

জনগণৰ স্বাস্থ্যৰ প্ৰতি চৰকাৰ দায়বদ্ধ আৰু উপযুক্ত স্বাস্থ্য আৰু সামাজিক বিধি-ব্যৱস্থাৰ জৰিয়তেহে এই দায়িত্ব পূৰণ কৰিব পৰা যাব। - বিশ্ব স্বাস্থ্য সংস্থাৰ সংবিধান

”

Source: GUIDELINES & PROTOCOLS - Medico-legal care for survivors / victims of Sexual Violence by Ministry of Health & Family Welfare, Government of India

ভাৰতবৰ্ষত মহিলা আৰু ছোৱালীয়ে সন্মুখীন হোৱা নিৰ্যাতন লিংগভিত্তিক বৈষম্য, সামাজিক নীতি নিয়ম আৰু বিভিন্ন ৰূপত দেখিবলৈ পোৱা লিংগভিত্তিক বাধ্যবাধকতাৰ ওপৰতে প্ৰতিস্থিত। এই নিৰ্যাতন প্ৰণালীগত আৰু ই ৰাজহুৱা আৰু ব্যক্তিগত উভয় ক্ষেত্ৰতে সংঘটিত হয়। লিংগৰ উপৰিও জাতি, বৰ্ণ, সামৰ্থ্য, যৌন বিন্যাস আদিৰ ভিত্তিতো নাৰী বৈষম্যৰ সন্মুখীন হয়।

অসম এই ক্ষেত্ৰত দেশৰ অন্যান্য ৰাজ্যৰ ব্যতিক্ৰম নহয়। নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰোৰ (National Crime Records Bureau চমুকৈ NCRB) ২০১৬ চনত প্ৰকাশিত তথ্য অনুসৰি , নাৰীৰ ওপৰত সংঘটিত হোৱা অপৰাধৰ ক্ষেত্ৰত অসমৰ স্থান দেশৰ ভিতৰতে দ্বিতীয়। দেশৰ আন ৰাজ্যবোৰৰ ভিতৰত দিল্লীত সৰ্বাধিক অপৰাধ (১ লাখ জনসংখ্যাৰ ভিতৰত ১৬৪.৪ টা) সংঘটিত হোৱাৰ বিপৰীতে প্ৰতি ১ লাখ জনসংখ্যাত ১৩১.৩ টা অপৰাধেৰে অসম দ্বিতীয় স্থানত আছে। এই অপৰাধবোৰ হৈছে ধৰ্ষণ, যৌন উৎপীড়ন, শাৰীৰিক অত্যাচাৰ, যৌন নিৰ্যাতন, অপহৰণ, যৌতুকজনিত হত্যা আৰু নাৰী সৰবৰাহ ইত্যাদি। নেচনেল ফেমিলী হেল্থ চাৰ্ভে-৪ ৰ ২০১৫-১৬ চনত প্ৰকাশ পোৱা তথ্য মতে অসমৰ ২৪.৫ শতাংশ বিবাহিতা মহিলা স্বামীৰ দ্বাৰা নিৰ্যাতিত হয় আৰু ২.১ শতাংশ মহিলা গৰ্ভাৱস্থাৰ কালত বিভিন্ন প্ৰকাৰৰ নিৰ্যাতনৰ সন্মুখীন হয়।

ভাৰতবৰ্ষত স্বাস্থ্যৰ অধিকাৰক এতিয়াও মৌলিক অধিকাৰৰূপে স্বীকৃতি দিয়া হোৱা নাই। অৱশ্যে ভাৰতৰ উচ্চতম ন্যায়ালয়ে স্বাস্থ্যৰ অধিকাৰকো জীয়াই

থকাৰ অধিকাৰৰ অন্তৰ্ভুক্ত বুলি ব্যাখ্যা কৰিছে। ভাৰতে সৰ্বাধিক শাৰীৰিক আৰু মানসিক স্বাস্থ্য লাভ কৰা তথা স্বাস্থ্য আৰু স্বাস্থ্যসেৱা সম্পৰ্কীয় ব্যক্তিৰ অধিকাৰৰ পোষকতা কৰা বিভিন্ন চুক্তি, যেনে - International Covenant on Economic, Social and Cultural Rights (ICESCR), The Convention on the Elimination of Discrimination against Women (CEDAW), the Convention of the Rights of the Child (CRC), the Convention on the Rights of persons with Disabilities (CRPD) আদিত স্বাক্ষৰ কৰিছে।

CEDAW ৰ ১২ নং অনুচ্ছেদত স্বাস্থ্য সেৱা ক্ষেত্ৰত মহিলাৰ প্ৰতি থকা বৈষম্য নাইকীয়া কৰিবলৈ ৰাষ্ট্ৰৰ কৰ্তব্যক সম্প্ৰসাৰণ কৰা হৈছে। ইয়াত মানসিক আঘাতৰ প্ৰতি সঁহাৰিকে ধৰি সময়োপযোগী মানসিক, যৌন আৰু প্ৰজনন সম্পৰ্কীয় স্বাস্থ্য সেৱা, জৰুৰী গৰ্ভনিৰোধ আৰু এইচ আই ভিৰ সংক্ৰমণৰ সম্ভাৱনা থাকিলে সেই সংক্ৰমণ ৰোধ কৰাৰ বাবে ঔষধ গ্ৰহণ (HIV Post Exposure Prophylaxis, চমুকৈ PEP) আদি নিশ্চিত কৰি সমানভাৱে স্বাস্থ্য সেৱা লাভ কৰাৰ ক্ষেত্ৰত সকলো সম্ভৱপৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দায়িত্ব ৰাষ্ট্ৰৰ বুলি ব্যাখ্যা কৰা হৈছে। তদুপৰি ৩৫ নং সাধাৰণ অনুমোদনত (General Recommendation, চমুকৈ GR) সদস্য ৰাষ্ট্ৰসমূহক মহিলাৰ প্ৰতি বৈষম্যমূলক সকলো আইনী ব্যৱস্থা বাতিল কৰাৰ বাবে বাধ্য কৰিছে আৰু তাৰ জৰিয়তে বিভিন্ন অক্ষমতাযুক্ত মহিলা, সমকামী, ভিন্নলিংগকামী, দ্বিলিংগকামী আৰু গণিকা বৃত্তিত জড়িত মহিলাসকলক



তেওঁলোকৰ সজ্ঞান সন্মতি সাপেক্ষে চিকিৎসা প্ৰক্ৰিয়া সহজসাধ্য কৰিছে।

বিশ্ব স্বাস্থ্য সংস্থাৰ সংজ্ঞা অনুসৰি যৌন নিৰ্যাতন হৈছে -“ যৌন কাৰ্যৰ উদ্দেশ্যে চলোৱা প্ৰচেষ্টা, অপ্ৰত্যাশিত যৌনগন্ধী মন্তব্য / প্ৰস্তাৱ, নাইবা অবৈধভাৱে সৰবৰাহ বা ব্যক্তি এজনৰ যৌন অনুভূতিৰ বিৰুদ্ধে কৰা কাৰ্য, জোৰ-জবৰদস্তি কৰা, ক্ষতি কৰাৰ ভাবুকি দিয়া বা শাৰীৰিক শক্তি প্ৰয়োগ কৰি ভুক্তভোগীজনৰ সৈতে থকা সম্পৰ্ক থকা বা নথকা যিকোনো ব্যক্তিয়ে ঘৰ বা কৰ্মস্থলীকে ধৰি যিকোনো স্থানতে চলোৱা নিৰ্যাতন।” যৌন নিৰ্যাতনে ইয়াৰ বলি হোৱাজনৰ গুৰুতৰ শাৰীৰিক আৰু মানসিক ক্ষতি কৰে আৰু ই বিভিন্ন ৰূপত সংঘটিত হ’ব পাৰে।

## বিভিন্ন প্ৰকাৰৰ যৌন নিৰ্যাতন *(তলত উল্লেখ কৰাবোৰতেই সীমিত নহয়)*

- বিবাহিত বা একেলগে থকা (লিভিং টুগেডাৰ) সংগী, প্ৰেম তথা যৌন সম্পৰ্কত বলপূৰ্বকভাৱে বা বাধ্য কৰি যৌন কাৰ্য কৰা
- ধৰ্ষণ/ বলাৎকাৰ
- সশস্ত্ৰ যুদ্ধৰ সময়ত কৰা ধৰ্ষণ, যৌন দাসত্ব
- অপ্ৰত্যাশিত যৌন প্ৰস্তাৱ বা যৌন নিৰ্যাতন
- শিশুৰ ওপৰত চলোৱা যৌন আতিশয্য

- মানসিক বা শাৰীৰিকভাৱে অসমৰ্থ ব্যক্তিৰ ওপৰত চলোৱা যৌন আতিশয্য
- জোৰকৈ বেশ্যা বৃত্তিত লিপ্ত কৰোৱা বা যৌন শোষণৰ উদ্দেশ্যে সৰবৰাহ কৰা
- বাল্য আৰু বলপূৰ্বক বিবাহ
- গৰ্ভনিৰোধক ব্যৱহাৰ বা যৌন ৰোগ সংক্ৰমণৰপৰা হাত সৰাৰ উপায় অৱলম্বনৰ অধিকাৰ অগ্ৰাহ্য কৰা
- বলপূৰ্বক গৰ্ভপাত বা বন্ধ্যাকৰণ
- মহিলাৰ যৌনাংগ কৰ্তন
- সতীত্ব পৰীক্ষা কৰা
- বলপূৰ্বকভাৱে অশ্লীল চিত্ৰ, সাহিত্য আদি পঢ়িবলৈ বা চাবলৈ বাধ্য কৰা
- বলপূৰ্বকভাৱে কাপোৰ খুলি দিয়া বা নগ্ন হৈ খোজ কাঢ়িবলৈ বাধ্য কৰা

২০১৪ চনত ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে যৌন নিৰ্যাতনৰ উত্তৰজীৱিসকলৰ ওচৰ চপা, চিকিৎসা কৰা আৰু ঘটনাটো লিপিবদ্ধ কৰাৰ ক্ষেত্ৰত সমতা বজাই ৰখাৰ উদ্দেশ্যে এলানি নিৰ্দেশাৱলী আৰু আচৰণবিধি প্ৰস্তুত কৰি উলিয়াইছে । এই নিৰ্দেশাৱলীৰ প্ৰধান উদ্দেশ্যে হ'ল লিংগ ভিত্তিক নিৰ্যাতনৰ ঘটনাসমূহৰ ক্ষেত্ৰত এক সূক্ষ্ম আৰু সংবেদনশীল স্বাস্থ্য সেৱা ব্যৱস্থাৰ বিকাশ ঘটোৱা তথা ইয়াক শক্তিশালী কৰা আৰু নিৰ্যাতনৰ ঘটনা সংঘটিত হোৱাৰ বাবে উত্তৰজীৱিসকল দায়ী হোৱাৰ ভয় নোহোৱা এক পৰিৱেশৰ সৃষ্টি কৰা।



## এই নিৰ্দেশাৱলী কাৰ বাবে ?

- স্বাস্থ্য সেৱা কৰ্মীসকলৰ বাবে, যাতে যৌন নিৰ্যাতনৰ বলি হোৱাসকলৰ বিষয়ে সঠিকভাৱে বুজি পোৱাৰ লগতে তেওঁলোকৰ প্ৰয়োজনীয়তা তথা অধিকাৰ জানিব পাৰে।

- ধৰ্ষণ আৰু যৌন নিৰ্যাতনৰ বলি হোৱা সকলৰ বাবে, যাতে তেওঁলোকে তাৎক্ষণিকভাৱে স্বাস্থ্য সেৱা তথা ধৰ্ষণৰ পাছত ল'বলগীয়া যতন, জৰুৰী গৰ্ভনিৰোধক, এইচ আই ভি প্ৰতিৰোধ, নিৰাপদ গৰ্ভপাত সেৱা, পুলিচ সুৰক্ষা, জৰুৰী আশ্ৰয়, আইনী সাহায্য আদি লাভ কৰিব পাৰে।

## আইনে কি কয় ?

ভাৰতৰ অপৰাধী আইনে (সংশোধনী) (The Criminal Law (Amendment) Act, 2013) যৌন নিৰ্যাতনৰ ক্ষেত্ৰত ভাৰতীয় দণ্ডবিধি (Indian Penal code) তথা অপৰাধীৰ বিচাৰ বিধিত (Code of Criminal Procedure, চমুকৈ CRPC) ত কেইবাটাও পৰিবৰ্তন আনিছে। এই আইনখনে যৌন নিৰ্যাতনৰ সকলো উত্তৰজীৱিক ৰাজহুৱা বা ব্যক্তিগত সকলো স্বাস্থ্য সেৱা প্ৰতিষ্ঠানত চিকিৎসাৰ অধিকাৰক স্বীকৃতি দিছে। চি আৰ পি চিৰ ৩৫৭

নং ধাৰা অনুসৰি, ৰাজহুৱা আৰু ব্যক্তিগত চিকিৎসালয়ত যৌন নিৰ্যাতনৰ উত্তৰজীৱিসকলৰ বাবে বিনামূলীয়াকৈ প্ৰাথমিক চিকিৎসা বা চিকিৎসা সেৱা আগবঢ়োৱাটো বাধ্যতামূলক আৰু চিকিৎসা সেৱা আগবঢ়াবলৈ অস্বীকাৰ কৰাটো ভাৰতীয় দণ্ডবিধিৰ ১৬৬ (খ) ধাৰাৰ অধীনত শাস্তিযোগ্য অপৰাধ। এই অপৰাধৰ বাবে এবছৰ পৰ্যন্ত কাৰাবাস বা জৰিমনা বা কাৰাবাস আৰু জৰিমনা দুয়োটাই হ'ব পাৰে।

## স্বাস্থ্য সেৱা কৰ্মী আৰু বিশেষ গোট :

যৌন নিৰ্যাতনৰ তথা ভুক্তভোগীসকলৰ প্ৰতি সঁহাৰি জনাওতে স্বাস্থ্য সেৱা কৰ্মীৰ দায়িত্ব দুখলপীয়া :

- ► উত্তৰজীৱিসকলক শাৰীৰিক আৰু মানসিক চিকিৎসা প্ৰদান কৰা

- ► উত্তৰজীৱিসকলে আইনী সাহায্য লাভ কৰাৰ বাবে প্ৰমাণ সংগ্ৰহ কৰা আৰু ইয়াক সঠিকভাৱে লিপিবদ্ধ কৰা

যৌন নিৰ্যাতনৰ উত্তৰজীৱিসকলে চিকিৎসকৰ কাষ চপাৰ সময়ত কেতিয়াবা ঘটনা সম্পৰ্কে সবিশেষ জনাব নোখোজে। তেনে ক্ষেত্ৰত চিকিৎসা সেৱা আগবঢ়োৱা ব্যক্তিজনে নিৰ্যাতনৰ সন্মুখীন হোৱাজনৰ বিভিন্ন চিহ্ন আৰু লক্ষণৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। সেয়ে, চিকিৎসা সেৱা আগবঢ়োৱা ব্যক্তিজনে নিৰ্যাতনৰ সন্মুখীন



হোৱাজনৰ বিশ্বাসভাজন হ'ব পৰাকৈ পাৰস্পৰিক সদ্ভাৱৰ সৃষ্টি কৰাটো প্ৰয়োজনীয়।

চিকিৎসা সেৱা কৰ্মীসকলে শাৰীৰিক বা মানসিকভাৱে অক্ষম, যৌন কৰ্মী, ভিন্ন যৌন বিন্যাসৰ ব্যক্তি, শিশু, ধৰ্মীয় /জাতি/জনগোষ্ঠীয় সংখ্যালঘু আদি বিভিন্ন বিশেষ /পিছপৰা গোটৰ যৌন নিৰ্যাতনৰ বলি হোৱাসকলৰো যতন লয়। চিকিৎসা সেৱা বিচৰাৰ সময়ত চিকিৎসা সেৱা পদ্ধতিত এই গোটসমূহৰ ব্যক্তিসকল প্ৰায়ে বৈষম্যৰ বলি হোৱা দেখা যায় আৰু তেনেকৈ তেওঁলোক পুনৰ্বাৰ নিৰ্যাতিত হয়। সেয়েহে স্বাস্থ্য সেৱা কৰ্মীসকলে নিৰ্যাতনৰ বলি হোৱা এনে ব্যক্তিসকলৰ প্ৰতি সঁহাৰি জনাওতে সংবেদনশীলতা আৰু অনুভূতিপ্ৰৱণতাৰে তেওঁলোকৰ বিশেষ প্ৰয়োজন সমূহলৈ চকু দিব লাগে। এনে গোটসমূহৰ সৈতে কাম কৰোঁতে স্বাস্থ্য সেৱা কৰ্মীসকলে মনত ৰাখিবলগীয়া কিছুমান সাধাৰণ নীতি তলত উল্লেখ কৰা হ'ল :

- ► সমগ্ৰ ঘটনা প্ৰকাশ কৰিব পৰাকৈ পুৰুষ /মহিলাগৰাকীক গোপনীয়তাৰ নিশ্চয়তা প্ৰদান কৰা আৰু বিশ্বাসভাজন হোৱা

- ► কেতিয়াও ঘটনাটো অবিশ্বাস কৰা ধৰণৰ কোনো কথা নক'ব বা কাম নকৰিব।

- ► বিশেষ/পিছপৰা গোটৰ ব্যক্তিসকলৰ প্ৰতি সংবেদনশীল আৰু পক্ষপাতিত্বহীন হওক আৰু

তেওঁলোকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰক।

- পৰিচয়, যৌন বিন্যাস বা বৃত্তিৰ বাবে তেওঁলোকক চিকিৎসা কৰিবলৈ অস্বীকাৰ নকৰিব।
- কোনো ধৰণৰ সিদ্ধান্তমূলক মতামত/মন্তব্য নিদিব বা তেওঁলোকৰ পৰিচয় বা বৃত্তিৰ বাবে নিৰ্যাতনৰ সন্মুখীন হোৱা বুলি তেওঁলোকক দোষাৰোপ নকৰিব।
- হস্পিটাললৈ অহাৰ সাহস দেখুওৱাৰ বাবে তেওঁলোকক প্ৰশংসা কৰক।
- ভুক্তভোগীজনক বুজাই দিয়ক যে এয়া এক অপৰাধ / নিৰ্যাতন আৰু তাৰ বাবে অপৰাধীজনে শাস্তি পোৱা উচিত।
- ইয়াৰ জৰিয়তে যে সন্মান বা শালীনতাৰ হানি হোৱাৰ পৰিবৰ্তে তেওঁৰ অধিকাৰহে ভংগ কৰা হৈছে তাৰ ওপৰত জোৰ দিয়ক।
- প্ৰয়োজনসাপেক্ষে এজন পৰামৰ্শদাতাৰ সহায় লওক।

## বিশেষ গোটৰ প্ৰতি সঁহাৰি জনাওতে অনুসৰণ কৰিবলগীয়া নীতি:

### ৰূপান্তৰকামী আৰু আন্তৰ্লৈংগিক ব্যক্তি

ৰূপান্তৰকামী ব্যক্তি এগৰাকীৰ দৈহিক গঠনৰ পৰা তেওঁ পুৰুষ নে নাৰী তাক ধৰিব নোৱাৰি। এনে ব্যক্তি এগৰাকী দেখাত পুৰুষৰ দৰে, নাৰীৰ দৰে, পুৰুষ-বা মহিলা উভয়ৰ দৰে হ'ব পাৰে বা কাৰো দৰেই নহ'ব পাৰে। আন্তৰ্লৈংগিক শব্দটোৱে পুৰুষ বা নাৰীৰ নিৰ্দিষ্ট সংজ্ঞাৰ সৈতে খাপ নোখোৱা জৈৱিক বা যৌন অংগ লৈ জন্মলাভ কৰা ব্যক্তিক বুজোৱা হয়। স্বাস্থ্য সেৱা আগবঢ়োৱা ব্যক্তিসকলে এই ক্ষেত্ৰত তলত দিয়া নীতিসমূহ মানি চলিব লাগে :

- কোনো ধৰণৰ পূৰ্বানুমান নকৰি ভুক্তভোগীজনে উল্লেখ কৰা লিংগ পৰিচয়কে প্ৰাধান্য দিয়ক।
- ভুক্তভোগীজনৰ সন্মতি অবিহনে তেওঁ যে ৰূপান্তৰকামী সেই কথা প্ৰকাশ কৰাটো অনুচিত।
- যৌন বিভিন্নতাৰ বাবে এজন ৰূপান্তৰকামী বা আন্তৰ্লৈংগিক ব্যক্তিয়ে মুখামুখি হ'ব পৰা স্বাস্থ্য সম্পৰ্কীয় দিশসমূহলৈ মন কৰক।

## ভিন্ন যৌন বিন্যাসৰ ব্যক্তি:

যৌন বিন্যাস হৈছে কোনো এটা লিংগৰ প্ৰতি এজন ব্যক্তিৰ আকৰ্ষণৰ ওপৰত ভিত্তি কৰি স্থিৰ কৰা যৌন পৰিচয়। উদাহৰণ স্বৰূপে সমকামী, ভিন্নলিংগকামী, উভয়কামী আদি। বিকল্প যৌন বিন্যাসৰ ব্যক্তি এজনক পৰীক্ষা কৰোতে স্বাস্থ্যকৰ্মী এজনে তলত দিয়া কথাকেইটা মনত ৰাখিব লাগে :

- ব্যক্তিগৰাকীৰ দেহত কোনো পুৰণি আঘাত থাকিলে বা তেওঁ 'গুহ্য দ্বাৰৰ জৰিয়তে যৌন কাৰ্য কৰা'ত

অভ্যস্ত হ'লে সেই কথা লিপিবদ্ধ কৰিব নালাগে।

- তেওঁলোকক তেওঁলোকৰ যৌন বিন্যাসৰ পৰা 'আৰোগ্য' কৰি তোলাৰ পৰামৰ্শ দিব নালাগে।

## যৌন কৰ্মী:

এই গোটৰ ভিতৰত মহিলাসকলেই প্ৰধান যদিও, পুৰুষ আৰু ৰূপান্তৰকামীসকলো এই কাৰ্য্যত সক্ৰিয় হৈ থকা দেখা যায়। যৌন কৰ্মীসকল প্ৰায়েই গ্ৰাহক, দালাল, গণিকালয়ৰ গৰাকী আনকি পুলিচৰ দ্বাৰাও যৌন নিৰ্যাতনৰ সন্মুখীন হোৱাদেখা যায়। যৌন কৰ্মীসকলক চিকিৎসা সেৱা আগবঢ়োৱাৰ সময়ত স্বাস্থ্যকৰ্মীসকলে তলত দিয়া বিষয়সমূহৰ প্ৰতি লক্ষ্য কৰা উচিত:

- তেওঁলোকৰ স্বাস্থ্য সম্পৰ্কে কোনো আগতীয়া অনুমান কৰিব নালাগে। উদাহৰণ স্বৰূপে, সকলো যৌন কৰ্মীয়েই মাদক দ্ৰব্য সেৱনকাৰী বা এইডচ আক্ৰান্ত বুলি ভাবি ল'ব নালাগে।
- যৌন কৰ্মী এজন যিকোনো লিংগৰে হ'ব পাৰে বুলি মানি ল'ব লাগে।
- নিৰ্যাতিতজনে বৰ্ণনা কৰা মতে নিৰ্যাতনৰ শেহতীয়া ঘটনাহে লিপিবদ্ধ কৰিব লাগে আৰু পূৰ্বতে তেওঁ সন্মুখীন হোৱা যৌন অভিজ্ঞতাৰ ওপৰত গুৰুত্ব দিব নালাগে।



## বাধাগ্ৰস্ত ব্যক্তিসকল:

বাধাগ্ৰস্ত মহিলা আৰু শিশুসকল তুলনামূলকভাৱে বেছিকৈ যৌন নিৰ্যাতন আৰু বৈষম্যৰ সন্মুখীন হোৱা দেখা যায়। এনে মহিলা আৰু শিশুসকল তেওঁলোকক চোৱা-চিতা কৰা ব্যক্তি, পৰিয়ালৰ সদস্য তথা আশ্ৰয় গৃহ আৰু চিকিৎসালয়ৰ কৰ্মীসকলৰ দ্বাৰা নিৰ্যাতিত হোৱাৰ ভয় থাকে। যৌন নিৰ্যাতনৰ সন্মুখীন হোৱা বাধাগ্ৰস্ত মহিলাসকলে বুজাবলৈ অসুবিধা পোৱা হেতুকে তেনে ঘটনা সম্পৰ্কে প্ৰায়ে গোচৰ নিদিয়ে। সেয়ে স্বাস্থ্য কৰ্মীসকলে তলত উল্লেখ কৰা দিশসমূহৰ প্ৰতি মনোযোগ দিব লাগে :

- বাধাগ্ৰস্ত ব্যক্তি এগৰাকীয়ে নিজে যৌন নিৰ্যাতনৰ সবিশেষ জনাব নোৱাৰে বুলি ভাবি ল'ব নালাগে। সেয়ে, স্বাস্থ্যকৰ্মীজনে মন দিব লাগে যাতে ঘটনাটো বৰ্ণনা কৰাৰ সময়ত চোৱা-চিতা কৰা ব্যক্তিজন বা লগত অহা ব্যক্তিজনে তেওঁক প্ৰভাৱিত কৰিব নোৱাৰে কাৰণ সেই ব্যক্তিজনেও অপৰাধটো সংঘটিত কৰিব পাৰে।
- কথা কোৱা/শুনা বা বোধশক্তি সম্পৰ্কীয় অক্ষমতা থকা ব্যক্তিৰ ক্ষেত্ৰত বুজাই দিওঁতা, অনুবাদ কৰোঁতা, বিশেষ প্ৰশিক্ষক আদিৰ এখন তালিকা প্ৰস্তুত কৰিব লাগে আৰু বুজাই দিওঁতাজন ভুক্তভোগীজনৰ সৈতে থকাৰ সময়ত স্বাস্থ্যকৰ্মী /সেৱী উপস্থিত থাকিব লাগে।
- ভুক্তভোগীজনক আভ্যন্তৰীণ পৰীক্ষণ পদ্ধতি সম্পৰ্কে

সৰল ভাষাত বুজাই দিব লাগে কিয়নো তেনে পৰীক্ষণ সম্পৰ্কে ভুক্তভোগীজনৰ জ্ঞান সীমিত হ'ব পাৰে আৰু আনকি তেওঁ যে এটা অপৰাধৰ বলি হৈছে সেই সম্পৰ্কেও অজ্ঞ হ'ব পাৰে।

### শিশু:

শিশুৰ ক্ষেত্ৰত স্বাস্থ্য সেৱা কৰ্মীসকলে তলৰ বিষয়সমূহলৈ চকু দিব লাগে :

- শিশুটিক বিশ্বাস কৰিব লাগে আৰু শিশুৱে মিছা কয় বা পিতৃ-মাতৃয়ে শিকাই দিয়া কথাহে কয় বুলি থকা ধাৰণা পৰিহাৰ কৰিব লাগে।
- পৰীক্ষা কৰাৰ সময়ত চিকিৎসালয়ৰ মুৰব্বীয়ে নিয়োগ কৰা এগৰাকী মহিলাৰ উপস্থিতি নিশ্চিত কৰিব লাগে আৰু নিৰ্যাতনৰ ঘটনা পৰীক্ষা কৰাৰ সময়ত মনোযোগ দিব লাগে কিয়নো চিকিৎসাৰ বাবে অহা শিশুটিৰ সৈতে নিৰ্যাতনকাৰীজনো আহিব পাৰে।
- শিশুটি সৰু হৈ থকা বাবে ঘটনাৰ সবিশেষ ক'ব নোৱাৰিব বুলি ধৰি ল'ব নালাগে। ঘটনাৰ সবিশেষ জানিবলৈ পুতলা বা মানৱ দেহৰ চিত্ৰৰ সহায় ল'ব পাৰি।
- যৌনাংগ বা গুহ্যদ্বাৰ যান্ত্ৰিক বা গতানুগতিকভাৱে পৰীক্ষা কৰিব নালাগে।



## যৌন নিৰ্যাতনৰ ভুক্তভোগীসকলৰ বাবে মানসিক-সামাজিক যতন

চিকিৎসা সেৱা কৰ্মীসকলে যৌন নিৰ্যাতনৰ ভুক্তভোগীসকলক প্ৰাথমিক মানসিক সাহায্য আগবঢ়াব লাগে। তেনে কৰাৰ ক্ষেত্ৰত চিকিৎসা কৰ্মীসকলে তলত দিয়া বিষয়সমূহ মনত ৰাখিব লাগে :

- এক সমৰ্থক পৰিবেশৰ সৃষ্টি কৰা আৰু ভুক্তভোগীজনৰ আস্থাভাজন হ'বলৈ চেষ্টা কৰা
- সকলো পৰ্যায়তে চিকিৎসা সম্পৰ্কীয় পৰীক্ষণৰ সুবিধা দিয়া
- সুৰক্ষাৰ পৰ্যালোচনা আৰু নিৰাময় প্ৰক্ৰিয়াত পৰিয়ালৰ সদস্য সকলক জড়িত কৰি ভুক্তভোগীজনৰ আৱেগিক সুস্থতাৰ প্ৰতি লক্ষ্য ৰখা
- কোনো ভয় / উদ্বিগ্নতা থাকিলে তাক প্ৰকাশ কৰিবলৈ ভুক্তভোগীজনক উৎসাহ দিয়া
- ভুক্তভোগীজনক প্ৰয়োজন সাপেক্ষে পৰামৰ্শ আৰু সংকট দূৰ কৰাৰ ক্ষেত্ৰত সহায় বিচাৰিবলৈ উৎসাহ দিয়া

### পৰীক্ষণ পদ্ধতি:

প্ৰতিখন চিকিৎসালয়তে যৌন নিৰ্যাতনৰ বলি হোৱা সকলৰ পৰীক্ষণৰ নিৰ্দিষ্ট পদ্ধতি Standard Operating Procedure, চমুকৈ

SOP) থাকিব লাগে আৰু তাৰ ছপা প্ৰতিলিপি চিকিৎসালয়ৰ সকলো কৰ্মচাৰীক দিব লাগে।

- পঞ্জীয়নকৃত সকলো চিকিৎসকে পৰীক্ষা কৰিব পাৰে। অৱশ্যে ভুক্তভোগীগৰাকী মহিলা হ'লে এই পৰীক্ষা মহিলা চিকিৎসকে কৰা উচিত। মহিলা চিকিৎসক নাথাকিলে এগৰাকী মহিলা পৰিচৰ্যাকাৰীৰ উপস্থিতিত পুৰুষ চিকিৎসকে পৰীক্ষা কৰিব লাগে। মহিলা চিকিৎসক উপস্থিত নথকাটো চিকিৎসা বা পৰীক্ষা কৰিবলৈ অস্বীকাৰ কৰা বা পলম কৰাৰ কাৰণ হ'ব নোৱাৰে। নাবালক বা অক্ষম ব্যক্তিৰ ক্ষেত্ৰত তেওঁৰ পিতৃ-মাতৃ, অভিভাৱক বা নিৰ্যাতনৰ বলি হোৱাজন যাৰ লগত সহজ হ'ব পাৰে তেনে ব্যক্তি উপস্থিত থাকিব পাৰে।

- ৰূপান্তৰকামী বা আন্তৰ্লিংগী ব্যক্তিৰ ক্ষেত্ৰত তেওঁ পচন্দ অনুসৰি পুৰুষ বা মহিলা চিকিৎসক বাচনি কৰাৰ সুবিধা দিব লাগে।

- ভুক্তভোগীজনৰ পৰীক্ষা কৰি থাকোতে পুলিচৰ কোনো লোককে প্ৰৱেশ কৰিবলৈ দিব নালাগে। অৱশ্যে ভুক্তভোগীজনে অনুৰোধ জনালে পৰীক্ষা কৰাৰ সময়ত তেওঁৰ সম্পৰ্কীয় লোক উপস্থিত থাকিব পাৰে।

- চিকিৎসা, চিকিৎসা সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষা আৰু প্ৰমাণ সংগ্ৰহ অনতিপলমে কৰিব লাগে। পুলিচক



অভিযোগ দাখিল কৰা, নিৰীক্ষণ বা চিকিৎসাৰ প্ৰয়োজনীয়তাৰ অবিহনে চিকিৎসালয়ত ভৰ্তি হোৱা আদি চিকিৎসা প্ৰদানৰ বাবে বাধ্যতামূলক নহয় আৰু সেয়ে তাৰ ওপৰত জোৰ দিব নালাগে।

- যৌন নিৰ্যাতনৰ বলি হোৱাসকলক পৰীক্ষা কৰাৰ বাবে এটা বিশেষ কোঠা থাকিব লাগে আৰু তেনে পৰীক্ষা সম্পন্ন কৰোঁতে সম্পূৰ্ণ গোপনীয়তা অৱলম্বন কৰিব লাগে। কোঠাটো আহল-বহল আৰু যথেষ্ট পোহৰ থকা হ'ব লাগে আৰু তাত পৰীক্ষা কৰাৰ বাবে এখন আৰামদায়ক টেবুল আৰু বিতং পৰীক্ষা কৰিবৰ বাবে প্ৰয়োজনীয় সা-সঁজুলি থাকিব লাগে।

- চিকিৎসালয়ে প্ৰমাণ নমুনা সংগ্ৰহ কৰি পুলিচে ফৰেনচিক পৰীক্ষাৰ বাবে পৰীক্ষা কৰাৰ সময়লৈকে তাক সংৰক্ষণ কৰিব লাগে।

- ভুক্তভোগীজনৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত চিকিৎসালয়ে তেওঁ চাফ-চিকুণ হ'ব পৰাকৈ চাবোন আদিৰ যোগান ধৰিব লাগে আৰু তেওঁৰ কাপোৰ-কানিবোৰ যদি প্ৰমাণ হিচাবে সংগ্ৰহ কৰা হৈছে তেন্তে পিন্ধিবলৈ অইন কাপোৰ দিব লাগে।

- যৌন নিৰ্যাতনৰ সকলো ভুক্তভোগীক চিকিৎসালয়ৰ বহিৰ্বিভাগ / অন্তৰ্বিভাগত নাম পঞ্জীয়ন, লেবৰেট'ৰী বা ৰেডিঅ'লজী বিভাগৰ পৰীক্ষা, প্ৰস্বাৰৰ সহায়ত কৰা গৰ্ভাৱস্থাৰ

পৰীক্ষা (UPT) আৰু ঔষধ আদি সকলো সেৱা বিনামূলীয়াকৈ আগবঢ়াব লাগে। যদি কোনো পৰীক্ষাৰ সুবিধা বা ঔষধ নাথাকে তেন্তে বাহিৰত পৰীক্ষা কৰোৱা আৰু ঔষধ কিনাৰ বাবে ভুক্তভোগীজনে ক্ষতিপূৰণ পোৱাটো চিকিৎসালয়ত থকা সমাজকৰ্মীজনে নিশ্চিত কৰিব লাগে।

► সকলোবোৰ নথি-পত্ৰৰ এটা প্ৰতিলিপি (চিকিৎসা তথা আইনী পৰীক্ষা তথা চিকিৎসা সংক্ৰান্তীয় নথিকে ধৰি) ভুক্তভোগীজনক বিনামূলীয়াকৈ দিব লাগে।

► যৌন নিৰ্যাতনৰ শাৰীৰিক প্ৰমাণ সংৰক্ষণৰ বাবে প্ৰতিখন চিকিৎসালয়তে (Sexual Assult Forensic Evidence, চমুকৈ SAFE) সঁজুলি থাকিব লাগে।

## সজ্ঞান সন্মতি

যৌন নিৰ্যাতনৰ উত্তৰজীৱিসকলক পৰীক্ষা কৰাৰ সময়ত স্বাস্থ্য আৰু ফৰেনচিক পৰীক্ষা, চিকিৎসা আৰু পুলিচক জনোৱাৰ বাবে তেওঁৰ সন্মতি লোৱাটো বাধ্যতামূলক। পৰীক্ষাৰ পদ্ধতি আৰু উদ্দেশ্য সম্পৰ্কে চিকিৎসকে পৰীক্ষা কৰা ব্যক্তিগৰাকীক আৰু শিশুৰ ক্ষেত্ৰত পিতৃ-মাতৃ বা অভিভাৱকক জনাব লাগে। ভুক্তভোগীজনে আৰু ১২ বছৰৰ তলৰ শিশুৰ ক্ষেত্ৰত পিতৃ-মাতৃ / অভিভাৱক, এজন সাক্ষী আৰু পৰীক্ষা কৰা চিকিৎসকজনে সন্মতি পত্ৰত চহী কৰাটো বাধ্যতামূলক। আনহাতে, নিৰ্যাতিতজনৰ জীৱনৰ প্ৰতি ভাবুকি অহা পৰিস্থিতিত চিকিৎসকে সন্মতি অবিহনেই চিকিৎসা আৰম্ভ কৰিব পাৰে।



## সজ্ঞান অস্বীকাৰ

নিৰ্যাতিতজনে পুলিচত গোচৰ দাখিল কৰিব নুখুজিলেও আইন অনুসৰি চিকিৎসকজনে এটা আইনী তথা চিকিৎসা সংক্ৰান্তীয় সাক্ষ্য-প্ৰমাণ (Medico Legal Case, চমুকৈ MLC) প্ৰস্তুত কৰিব লাগে আৰু ভুক্তভোগীজনক জনাব লাগে যে এজাহাৰ দাখিল কৰিবলৈ অস্বীকাৰ কৰাৰ অধিকাৰ তেওঁৰ আছে। ভুক্তভোগীজনে পুলিচত গোচৰ দিব নিবিচাৰিলে চিকিৎসকজনে সেই কথা লিপিবদ্ধ কৰাটো বাধ্য তামূলক। স্বাস্থ্য পৰীক্ষা কৰাবলৈ অস্বীকাৰ কৰাৰ অধিকাৰ ভুক্তভোগীজনৰ আছে, কিন্তু তাৰ বাবেই তেওঁক চিকিৎসা সেৱা আগনবঢ়োৱাকৈ থাকিব নোৱাৰি।

## প্ৰমাণ সংগ্ৰহ আৰু প্ৰতিবেদন প্ৰস্তুতকৰণ

যৌন নিৰ্যাতনৰ ঘটনাসমূহৰ ক্ষেত্ৰত চিকিৎসা সম্পৰ্কীয় তথ্য আৰু ঘটনাৰ সবিশেষ লিপিবদ্ধকৰণে স্বাস্থ্য পৰীক্ষা প্ৰক্ৰিয়া, স্বাস্থ্য আৰু ফৰেনচিক পৰীক্ষাৰ বাবে নমুনা সংগ্ৰহ, চিকিৎসা আৰু আইনী প্ৰক্ৰিয়াৰ বাবে সাক্ষ্য-প্ৰমাণ দাঙি ধৰাৰ ক্ষেত্ৰত এক অপৰিহাৰ্য্য ভূমিকা পালন কৰে।সেয়ে, এনে ঘটনাৰ প্ৰমাণ সংগ্ৰহ আৰু প্ৰতিবেদন প্ৰস্তুতকৰণৰ ক্ষেত্ৰত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰনয়ণ কৰা আচাৰবিধি মানি চলিব লাগে।

► ভুক্তভোগীজনৰ পূৰ্বৰ যৌনজীৱন সম্পৰ্কে কোনো তথ্য বিচাৰিব নালাগে।

- ঘটনাৰ সবিশেষ ভুক্তভোগীজনে কোৱাৰ দৰেই লিপিবদ্ধ কৰিব লাগে কাৰণ সাক্ষ্য হিচাপে আদালতত ইয়াৰ মূল্য আছে।

- উত্তৰজীৱিজনক তেওঁ সন্মুখীন হোৱা সকলো প্ৰকাৰৰ যৌন নিৰ্যাতন যেনে - চুমাখোৱা, চেলেকা, বলপূৰ্বকভাৱে হস্তমৈথুন কৰোৱা ইত্যাদিৰ বিষয়ে জনাবলৈ বিশ্বাস বঢ়োৱা উচিত। ঘটনাৰ বিৱৰণত মাথো যৌনাংগৰ সৈতে জড়িত কাৰ্যক প্ৰাধান্য দিব লাগে।

- নিৰ্যাতনৰ সময়ৰ পৰা চিকিৎসকৰ কাষ চপা সময়ৰ ব্যৱধান, নিৰ্যাতনৰ ধৰ্ষণ, গৰ্ভধাৰণৰ সম্ভাৱনা, যৌন ৰোগৰ সংক্ৰমণ, নিৰ্যাতনৰ বলি হোৱাজনৰ মানসিক স্বাস্থ্য কি অৱস্থাত আছে আদিৰ বিষয়ে সবিশেষ লিপিবদ্ধ কৰিব লাগে আৰু আক্ৰান্তজনৰ আঘাতবোৰৰ সাধাৰণ পৰীক্ষা তথা যৌনাংগৰ পৰীক্ষাকে ধৰি এক সম্পূৰ্ণ স্বাস্থ্য পৰীক্ষা কৰিব লাগে।

- ধৰ্ষণ বা যৌন নিৰ্যাতনৰ গোচৰ এটা প্ৰতিষ্ঠা কৰাৰ বাবে সাধাৰণতে 'দুই আঙুলিৰ সহায়ত কৰা পৰীক্ষা' বুলি জনাজাত যৌনাংগৰ পৰীক্ষা কেতিয়াও কৰিব নালাগে আৰু যৌন নিৰ্যাতনৰ গোচৰৰ ক্ষেত্ৰত যৌনাংগত লিংগ প্ৰৱেশৰ পৰিমাণৰ বিষয়টোৱে কোনো প্ৰভাৱ পেলাব নোৱাৰে।

- যৌন নিৰ্যাতনৰ গোচৰৰ ক্ষেত্ৰত সতীচ্ছদৰ বিষয়টো অপ্ৰাসংগিক। অক্ষত সতীচ্ছদে যৌন নিৰ্যাতন নোহোৱাটো আৰু ক্ষত সতীচ্ছদে পূৰ্বতে যৌনকাৰ্য কৰাটো নুবুজায়। সেয়ে যৌন নিৰ্যাতনৰ গোচৰৰ তথ্য লিপিবদ্ধ কৰাৰ সময়ত সতীচ্ছদকো শৰীৰৰ আন অংশৰ দৰেই গণ্য কৰিব লাগে। কেৱল নিৰ্যাতনৰ সেই নিৰ্দিষ্ট ঘটনাৰ লগত প্ৰাসংগিক বিষয়সমূহহে (নতুনকৈ হোৱা ক্ষত, ৰক্তপাত, পানীজোলা আদি) লিপিবদ্ধ কৰিব লাগে।

- চিকিৎসালয়ে প্ৰমাণ সংগ্ৰহ আৰু সংৰক্ষণৰ বাবে নিৰ্দিষ্ট কৰ্মচাৰীক দায়িত্ব দিব লাগে আৰু সেই নিৰ্দিষ্ট কৰ্মচাৰীৰ বাহিৰে অইনৰ বাবে এই নমুনাবোৰ সহজলভ্য হ'ব নালাগে। এই ক্ষেত্ৰত কোনো সুৰুঙা থাকিলে আদালতত এই প্ৰমাণসমূহ গ্ৰহণযোগ্য নহয় বুলি ধৰা হ'ব। এই ক্ষেত্ৰত এনে প্ৰমাণসমূহ এজন দায়িত্বৱাহীৰ পৰা আন এজনলৈ হস্তান্তৰ কৰাৰ লিখিত বিৱৰণ ৰাখিব লাগে।

## চিকিৎসা সম্পৰ্কীয় সাময়িক মতামত

- ভুক্তভোগীজনক পৰীক্ষা কৰাৰ পাছত ঘটনাৰ সবিশেষ আৰু স্বাস্থ্য পৰীক্ষাত লাভ কৰা তথ্যসমূহৰ ভিত্তিত চিকিৎসকজনে অনতিপলমে তেওঁৰ সাময়িক মতামতৰ খচৰা লিপিবদ্ধ কৰিব লাগে।

- এই সাময়িক মতামত চমু হ'ব লাগে, যৌন নিৰ্যাতনৰ সবিশেষ সম্পৰ্কে প্ৰাসংগিক দিশ, স্বাস্থ্য পৰীক্ষাত লাভ কৰা তথ্য আৰু বিশ্লেষণৰ বাবে ফৰেনচিক বিজ্ঞান

পৰীক্ষাগাৰলৈ পঠোৱা নমুনাৰ বিষয়ে উল্লেখ থাকিব লাগে। এই মতামতত লগত নিৰ্যাতনৰ ঘটনা তথা স্বাস্থ্য পৰীক্ষাত লাভ কৰা তথ্যৰ ভিত্তিত এক মন্তব্য দাঙি ধৰিব লাগে।

- এই কথা মনত ৰাখিব লাগে যে সাধাৰণ স্বাস্থ্য পৰীক্ষাত লাভ কৰা তথ্যসমূহে বলপূৰ্বক যৌন সংগম হোৱা বা নোহোৱাটো নিশ্চিত নকৰে। সেয়ে, পৰিস্থিতিসাপেক্ষ / অন্যান্য প্ৰমাণসমূহকো বিবেচনালৈ আনিব লাগে।

কোনো আঘাত নথকা বা পৰীক্ষাগাৰৰ নেতিবাচক ৰিপৰ্টে ব্যক্তি এগৰাকী যৌন নিৰ্যাতনৰ সন্মুখীন নোহোৱাটো নুবুজায়। তলত দিয়া কাৰণবোৰৰ বাবে এনে হ'ব পাৰে:

- নিচাগ্ৰস্ত হৈ থকা বা ভাবুকি লাভ কৰাৰ ফলত ভুক্তভোগীয়ে নিৰ্যাতনকাৰীক বাধা দিবলৈ অক্ষম হোৱা
- স্বাস্থ্য পৰীক্ষাৰ বাবে আহোঁতে পলম হোৱা
- প্ৰস্ৰাৱ কৰা, পানীৰে ধোৱা, গা ধোৱা, কাপোৰ সলোৱা বা প্ৰস্ৰাৱদ্বাৰ বা গুহ্যদ্বাৰ প্ৰক্ষালন কৰা আদি কাৰ্য্যৰ ফলত প্ৰমাণ নাইকীয়া হোৱা
- কনড'ম ব্যৱহাৰ কৰা চিকিৎসকে মতামত বৰ্ণনা কৰোঁতে ইয়াৰ কাৰণ উল্লেখ কৰিব লাগিব।



## পুলিচৰ সৈতে মুখামুখি হওঁতে:

পুলিচে স্বাস্থ্য কৰ্মীৰ কৰ্তব্যত হস্তক্ষেপ কৰিব নোৱাৰে। ভুক্তভোগীজনৰ পৰা যৌন নিৰ্যাতনৰ ঘটনাৰ সবিশেষ সোধা-পোচা কৰি থকাৰ সময়ত, তেওঁক পৰীক্ষা কৰাৰ সময়ত, প্ৰমাণ সংগ্ৰহ কৰাৰ সময়ত আৰু চিকিৎসা কৰাৰ সময়ত পুলিচক উপস্থিত থাকিব দিব নালাগে। ধৰ্ষণ কাৰ্য সংঘটিত হৈছেনে নাই, তেওঁ যৌন সংগম কৰিবলৈ সক্ষম হয় নে নহয়, তেওঁ যৌন সংগমত অভ্যস্ত নেকি আদিৰ দৰে প্ৰশ্ন পুলিচে সুধিলে তাৰ উত্তৰ দিব নালাগে।

## চৰকাৰী অধিবক্তাৰ সৈতে মুখামুখি হওঁতে:

ভুক্তভোগীয়ে চিকিৎসক, পুলিচ আৰু দণ্ডাধীশক জনোৱা ঘটনাৰ সবিশেষ সম্পৰ্কে জানিবলৈ চিকিৎসকজনে গোচৰৰ টোকাটো পৰ্যালোচনা কৰিব লাগে। চিকিৎসকজনে আগতীয়াকৈ দণ্ডাধীশৰ সৈতে কথা পাতি লৈ স্বাস্থ্য পৰীক্ষাৰ ফলাফল সম্পৰ্কে উত্থাপিত হ'ব পৰা সম্ভাব্য প্ৰশ্নসমূহৰ বিষয়ে জানি ল'ব লাগে।

## ন্যায়াধীশৰ সৈতে মুখামুখি হওঁতে:

আদালতে এজন চিকিৎসকক বিশেষজ্ঞ হিচাপে গণ্য কৰি তেওঁৰ পৰা স্বাস্থ্য সম্পৰ্কীয় সাক্ষ্য বিচাৰে। তেনে

ক্ষেত্ৰত, চিকিৎসকজনে প্ৰমাণৰ অভাৱ সম্পৰ্কে ন্যায়াধীশক বুজাই দিব পাৰিব লাগিব। প্ৰমাণ নথকা কথাটোৱে যে যৌন নিৰ্যাতন সংঘটিত নোহোৱাটো নুবুজায় সেই কথা আদালতত ব্যাখ্যা কৰাটো চিকিৎসকজনৰ দায়িত্ব।

নৰ্থ ইষ্ট নেটৱৰ্ক

7b, জে.এন বৰুৱা পথ, যোৰপুখুৰী,
গুৱাহাটী - 781001 অসম, ভাৰত
দূৰভাষ: +91 361 2631582, +91 94350-17824
ই-মেইল : assam@northeastnetwork.org

www.northeastnetwork.org